ডি আৰ মাধৱকৃষ্ণায়

বনাম

আয়কৰ বিষয়া, বাংগালোৰ

(মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰী আৰু

ন্যায়াধীশ: মেহৰ চান্দ মহাজন, এচ ৰ দাস, ঘূলাম হাছান, জগন্নাধাদাস)

বিত্ত আইন (১৯৫০ চনৰ XXV), ধাৰা ১৩, বিধি-বৈধতা-ভাৰতৰ সংবিধান, অনুচ্ছেদ ২৭৭।

কৰদাতাই তেওঁৰ উপাৰ্জনৰ ওপৰত বাংগালোৰৰ বিশেষ জৰীপ চক্ৰৰ আয়কৰ বিষয়াই মহীশূৰ ৰাজ্যৰ ভিতৰত ১৯৫০ চনৰ ১ এপ্ৰিলৰ পূৰ্বে আয়কৰ আৰু অধিকৰ আৰোপ কৰাৰ কৰ্তৃত্বক কৰদাতাই প্ৰত্যাহ্বান জনাইছিল। কৰদাতাই যুক্তি দিছিল যে ভাৰতীয় বিত্ত আইন, ১৯৫০ৰ ১৩ নং ধাৰাত আয়কৰ বিষয়াক ক্ষমতা প্ৰদান কৰা বিধান অবৈধ কাৰণ সংবিধান গঠন হোৱাৰ আগতে ভাৰতীয় আয়কৰ আইনৰ অধীনত নিযুক্ত যিকোনো বিষয়াক মহীশূৰৰ আইনৰ অধীনত কৰ আৰোপ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিবলৈ আইন প্ৰণয়ন কৰাৰ কোনো ক্ষমতা সংসদৰ নাছিল।

এইটো দাবী কৰা হৈছিল যে- (১) সাধাৰণ সাংবিধানিক নীতি অনুসৰি সংবিধান কাৰ্যকৰী হোৱাৰ আগৰ সময়ছোৱাত পূৰ্ববৰ্তী ভাবে প্ৰযোজ্য হোৱা আইন প্ৰণয়ন কৰাৰ কোনো ক্ষমতা সংসদৰ নাছিল আৰু (২)২৭৭ নং অনুচ্ছেদে সংসদক, বৰ্তমানৰ গোচৰৰ দৰে, বিষয়াসকলক মহীশূৰ ৰাজ্যত কৰ্তৃত্ব প্ৰদান কৰা আইন প্ৰণয়ন কৰাত নিষেধাজ্ঞা আৰোপ কৰিছিল:

(পক্ষসমূহে উপস্থাপন কৰা যুক্তিসমূহ নাকচ কৰি) আদালতে মত পোষণ কৰে যে (i) সংসদৰ হাতত এই কৰ্তৃত্ব আছিল, যিটো পূৰ্বৰ ৰায়দান অৰ্থাৎ ১৯৫১ চনৰ ২৯৬ নং গোচৰত প্ৰতিষ্ঠা কৰা হৈছিল। ২৭৭ নং অনুচ্ছেদত সংবিধান প্ৰণয়নৰ পূৰ্বে ৰাজ্য চৰকাৰে বৈধভাৱে আৰোপ কৰা কৰসমূহ চলি থকাৰ অনুমতি দিয়া হৈছে আৰু সংবিধান বলবৎ হোৱাৰ পিছতো একে উদ্দেশ্যৰ বাবে ইয়াৰ ব্যৱহাৰৰ অনুমতি দিয়া হৈছে। কিন্তু ২৭৭ অনুচ্ছেদৰ অৰ্থ এইটো নহয় যে এই কৰসমূহ সংবিধানৰ পূৰ্বৰ দৰে একে ৰাজ্যিক কৰ্তৃপক্ষই সংগ্ৰহ আৰু পৰিচালনা কৰিব লাগিব।

তদুপৰি ২৭৭ নং অনুচ্ছেদে সংবিধান গঠন হোৱাৰ আগতে ভাৰতীয় আয়কৰ আইনৰ অধীনত নিযুক্ত যিকোনো বিষয়াক মহীশূৰৰ আইনৰ অধীনত কৰ আৰোপ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰিবলৈ আইন প্ৰণয়ন কৰাত বাধা প্ৰদান নকৰে।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৫৩ চনৰ দেৱানী আপীল নম্বৰ ২০৯ আৰু ২১০

১৯৫৩ চনৰ ৪ এপ্ৰিলত বাংগালোৰৰ মহীশূৰৰ উচ্চ ন্যায়ালয়ে জাৰি কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে বিশেষ অনুমতি সাপেক্ষে দাখিল কৰা আপীল। ১৯৫৩ চনৰ ২০ আৰু ২১ নম্বৰৰ দেৱানী আবেদনৰ সম্পৰ্কত এই আবেদন দাখিল কৰা হৈছিল, যিবোৰৰ শুনানি গ্ৰহণ কৰিছিল মুখ্য ন্যায়াধীশ মেদাপা আৰু ন্যায়াধীশ বাসুদেৱমূৰ্তিয়ে।

এম.ৰামাস্বামী, জ্যেষ্ঠ অধিবক্তা, (বি. নীলকান্তৰ সৈতে)- আপীলকাৰীৰ বাবে।

ভাৰতৰ এটৰ্নী জেনেৰেল এম চি চেটালভাদ (প'ৰাছ এ মেহতাৰ সৈতে)- উত্তৰদাতাৰ বাবে।

১৯৫৩ চনৰ ১৬ ডিচেম্বৰ

আদালতৰ ৰায়দান প্ৰদান কৰে মুখ্য ন্যায়াধীশ পতঞ্জলি শাস্ত্ৰীয়ে- এই দুখন আপীল সংবিধানৰ ২২৬ নং অনুচ্ছেদৰ অধীনত বাংগালোৰস্থিত উচ্চ ন্যায়ালয়ত দাখিল কৰা আবেদনৰ সৈতে জড়িত। এই আবেদনসমূহে বাংগালোৰত অৱস্থিত বিশেষ জৰীপ চক্ৰৰ আয়কৰ বিষয়াৰ কৰ্তৃত্বক প্ৰত্যাহ্বান জনায় আৰু কয় যে মহীশূৰ ৰাজ্যত আপীলকাৰীৰ ১৯৫০ চনৰ ১ এপ্ৰিলৰ পূৰ্বৰ উপাৰ্জনৰ ওপৰত আয়কৰ আৰু অধিকৰ আৰোপ কৰাৰ ক্ষমতা বিষয়াজনৰ নাই। ইয়াৰ উপৰিও এই বিষয়টোৰ সন্দৰ্ভত উপযুক্ত লেখ জাৰি কৰিবলৈ অনুৰোধ জনোৱা হয়। আদালতত কৰা অনুৰোধ নাকচ কৰা হয় আৰু এই সিদ্ধান্তৰ বিৰুদ্ধে আপীল কৰাৰ অনুমতি নাকচ কৰা হয়।

আপীল কৰাৰ অনুমতি অস্বীকাৰ কৰাৰ পিছত আদালতে প্ৰদান কৰা বিশেষ অনুমতি লৈ আপীলকাৰীয়ে এই আবেদনসমূহ এই আদালতত দাখিল কৰিছে। স্বীকাৰ কৰা হৈছে যে আয়কৰ মূল্যায়ন কৰা ব্যক্তিজনক ১৯২২ চনৰ ভাৰতীয় আয়কৰ আইন অনুসৰি

বিষয়া হিচাপে নিযুক্তি দিয়া হৈছিল আৰু এই মূল্যায়নসমূহৰ সময়ত বিষয়াজনে ১৯৪৮-৪৯ চনৰ হিচাপ-নিকাচ বৰ্ষৰ সামৰণিলৈকে মহীশূৰ ৰাজ্যত প্ৰযোজ্য আয়কৰ আইন প্ৰয়োগ কৰিছিল। ভাৰতীয় বিত্ত আইনৰ ১৩ নং ধাৰাত উল্লেখ কৰা বিধিৰ ভিত্তিত বিষয়াগৰাকীয়ে ৰাজ্যখনত তেওঁৰ এক্টিয়াৰৰ ভিতৰৰ ক্ষমতা প্ৰয়োগ কৰিছিল, সেইয়া নিম্নোক্তধৰণে:

ৰদ আৰু সংৰক্ষণ: (১) যদি ১৯৫০ চনৰ ১ এপ্ৰিলৰ ঠিক আগতে আয়কৰ, অধিকৰ বা ব্যৱসায়িক লাভৰ ওপৰত কৰ সম্পৰ্কীয় কোনো আইন Part B ৰাজ্য (জম্মু আৰু কাশ্মীৰ বাদ দি), মণিপুৰ, ত্ৰিপুৰা, বিন্ধ্যা প্ৰদেশ বা কোঁচ বিহাৰৰ একত্ৰিত ভূখণ্ডত প্ৰযোজ্য হয়, তেন্তে নিৰ্দিষ্ট উদ্দেশ্যৰ বাহিৰে এই আইনখন আৰু বৈধ নহ'ব। এই আইনখন বৈধ হ'ব ১৯২২ চনৰ ভাৰতীয় আয়কৰ আইন অনুসৰি পূৰ্বৰ বছৰৰ মূল্যায়নত অন্তৰ্ভুক্ত নোহোৱা সময়ছোৱাৰ বাবে আয়কৰ আৰোপ, মূল্যায়ন, সংগ্ৰহ আৰু অধিকৰৰ বাবে, ১৯৫১ চনৰ ৩১ মাৰ্চত সমাপ্ত হোৱা বছৰলৈকে বা তাৰ বাবে আয়কৰ আৰু অধিকৰ আৰোপ, মূল্যায়ন, আৰু সংগ্ৰহৰ বাবে বা পৰৱৰ্তী যিকোনো বছৰৰ বাবে অৱশ্যে এই আইন প্ৰযোজ্য হ'ব। নতুবা, ১৯৪৯ চনৰ ৩১ মাৰ্চ বা তাৰ আগতে সমাপ্ত হোৱা যিকোনো হিচাপ-নিকাচৰ সময়ছোৱাৰ বাবে ব্যৱসায়িক লাভৰ ওপৰত কৰ আৰোপ, মূল্যায়ন আৰু সংগ্ৰহৰ বাবেও এই আইন প্ৰযোজ্য হ'ব।

ইয়াত স্পষ্ট কৰা হৈছে যে উল্লেখিত আইনখনত কোনো বিষয়া, কৰ্তৃপক্ষ, ন্যায়াধিকৰণ বা আদালতৰ যিকোনো উল্লেখে একেখন আইনৰ অধীনত নিযুক্তি দিয়া বা প্ৰতিষ্ঠা কৰা সমতুল্য সত্তাটোক বুজায়। কোনজন নিৰ্দিষ্ট বিষয়া, কৰ্তৃপক্ষ, ন্যায়াধিকৰণ, বা আদালত আইনত উল্লেখ কৰাসকলৰ সৈতে মিল আছে সেই সম্পৰ্কে যদি কোনো অনিশ্চয়তা থাকে, তেন্তে এই বিষয়ত চূড়ান্ত সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে ল'ব।

উপস্থাপন কৰা যুক্তিটো হ'ল যে এই বিধানটো ক্ষেত্ৰাধিকাৰৰ পৰিসৰৰ বাহিৰত আৰু সেয়েহে ই অবৈধ।এই যুক্তি অনুসৰি ভাৰতৰ সংবিধান প্ৰণয়নৰ পূৰ্বে সংসদৰ ভাৰতীয় আয়কৰ আইন, ১৯২২ৰ অধীনত নিযুক্ত/প্ৰতিস্থিত বিষয়া, কৰ্তৃপক্ষ, ন্যায়াধিকৰণ বা আদালতক মহীশূৰ আইন অনুসৰি আয়কৰ আৰু অধিকৰ আৰোপ, মূল্যায়ন আৰু সংগ্ৰহৰ অনুমতি দিয়া আইন প্ৰণয়ন কৰাৰ ক্ষমতা নাছিল। এই যুক্তিটো দুটা মূল কথাৰ ওপৰত প্ৰতিষ্ঠিত: প্ৰথমতে, সাধাৰণ সাংবিধানিক নীতি অনুসৰি সংবিধান কাৰ্যকৰী হোৱাৰ আগৰ সময়ছোৱাত পূৰ্ববৰ্তীভাৱে প্ৰযোজ্য হোৱা আইন প্ৰণয়ন কৰাৰ কৰ্তৃত্ব সংসদত নাছিল। দ্বিতীয়তে, সংবিধানৰ ২৭৭ নং অনুচ্ছেদে মহীশূৰ আয়কৰ আইনখনৰ ওপৰত ভাৰতীয় আয়কৰ আইন, ১৯২২ত উল্লেখ কৰা মূল্যায়ন আৰু সংগ্ৰহৰ পদ্ধতি জাপি দিয়া আইন প্ৰণয়ন কৰাত সংসদক অন্তৰ্নিহিতভাৱে নিষেধাজ্ঞা

আৰোপ কৰিছে।প্ৰথম কথাটোৰ সন্দৰ্ভত ইতিমধ্যে [ভাৰত চৰকাৰ বনাম মদন গোপাল কাবৰা (১)]ৰ গোচৰত যি শেহতীয়া ৰায়দান দিয়া হৈছে, তাৰ জৰিয়তে বিষয়টো সমাধান কৰা হৈছে। এতিয়া আমি ২৭৭ নং অনুচ্ছেদৰ ওপৰত ভিত্তি কৰি দ্বিতীয়টো যুক্তিহে সম্বোধন কৰিব লাগিব। এই অনুচ্ছেদটো তলত দিয়া ধৰণে:

"সংবিধান কাৰ্যকৰী হোৱাৰ আগতে ৰাজ্য চৰকাৰ, পৌৰসভা বা স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা আইনীভাৱে আৰোপ কৰা যিকোনো কৰ, শুল্ক, উপকৰ বা মাচুল একে উদ্দেশ্যৰ বাবে আৰোপ কৰা আৰু ব্যৱহাৰ কৰাটো অব্যাহত থাকিব পাৰে, যদিও এই কৰ বা শুল্ক কেন্দ্ৰীয় চৰকাৰৰ অধিকাৰক্ষেত্ৰৰ অধীনত পৰে আৰু সেইয়া অব্যাহত থাকিব যেতিয়ালৈকে সংসদে কোনো বিপৰীত আইন প্ৰণয়ন নকৰে।"

যুক্তি দিয়া হৈছিল যে ২৭৭ নং অনুচ্ছেদে সংবিধান প্ৰণয়নৰ পূৰ্বে মহীশূৰ চৰকাৰে বৈধভাবে সংগ্ৰহ কৰা অন্যান্য কৰসমূহৰ লগতে আয়কৰ আৰু অধিকৰ সংগ্ৰহ অব্যাহত ৰখাৰ অনুমতি দিয়ে। সংসদে আইন প্ৰণয়নৰ জৰিয়তে অন্য সিদ্ধান্ত নোলোৱালৈকে সংবিধান কাৰ্যকৰী হোৱাৰ পিছতো এই কৰসমূহ সংগ্ৰহ আৰু একে উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিব পৰা যাব। যিহেতু ১৯৫০ চনৰ ১ এপ্ৰিলত ভাৰতীয় বিত্ত আইন ১৯৫০ প্ৰণয়ন হোৱালৈকে সংসদে এনে কোনো আইন গৃহীত কৰা নাছিল, গতিকে এই কৰ সংগ্ৰহৰ বাবে মহীশূৰ আয়কৰ আইন ব্যৱহাৰ কৰিব লাগে বুলি ইংগিত দিয়া হৈছিল আৰু যিহেতু ২৪৫ নং অনুচ্ছেদত উল্লেখ আছে যে সংসদৰ আইন প্ৰণয়ন ক্ষমতা ২৭৭ নং অনুচ্ছেদকে ধৰি সংবিধানৰ অধীনত আছে, গতিকে ভাৰতীয় আয়কৰ আইনৰ অধীনত নিযুক্ত বিষয়া আৰু কৰ্তৃপক্ষক মহীশূৰ ৰাজ্যৰ কৰ সংগ্ৰহ ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা আইন প্ৰণয়নৰ কৰ্তৃত্ব সংসদৰ নাছিল। আমি এই যুক্তিৰ কোনো সমল বিচাৰি পোৱা নাই। ২৭৭ নং অনুচ্ছেদে ৰাজ্য চৰকাৰক সংবিধানৰ পূৰ্বে যি কৰ বৈধ আছিল, সেইয়া সংগ্ৰহ কৰি থাকিবলৈ অনুমতি দিয়ে আৰু সংবিধান কাৰ্যকৰী হোৱাৰ পিছতো এই কৰসমূহ একে কাৰণতে বা উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি বুলি অনুমতি দিয়ে। কিন্তু এই অনুচ্ছেদটোৰ অৰ্থ এইটো নহয় যে এই কৰসমূহ, সংবিধানৰ পূৰ্বে যিদৰে আছিল, সেই একে ৰাজ্যিক কৰ্তৃপক্ষই সংগ্ৰহ আৰু পৰিচালনা কৰিব লাগিব। উচ্চ ন্যায়ালয়ে সঠিকভাৱে লক্ষ্য কৰিছিল যে মহীশূৰ আয়কৰ আইন অনুসৰি নিযুক্তিপ্ৰাপ্ত বিষয়াসকলক কেৱল পূৰ্বৰ বছৰৰ মূল্যায়নৰ বাবে আৰু আনহাতে ভাৰতীয় আয়কৰ আইনৰ অধীনত বিষয়াসকলে ১৯৫০ চনৰ ১ এপ্ৰিলৰ পিছৰ বছৰবোৰৰ মূল্যায়ন কৰিব এই কথাটোৰ যুক্তিযুক্ততা নাই। মহীশূৰৰ আয়কৰ আইনৰ পৰা ১৯৫০ চনৰ ভাৰতীয় আয়কৰ আইনলৈ স্থানান্তৰিত হোৱাটো অৰ্থনৈতিক দিশৰ

ক্ষেত্রত উপযোগী হোৱাৰ উপৰিও সুচাৰু আৰু দক্ষ পৰিচালনাৰ বাবে প্ৰয়োজনীয় আছিল। ভাৰতীয় বিত্ত আইন, ১৯৫০ চনৰ ১৩ নং অনুচ্ছেদে এই পৰিৱৰ্তনৰ বাবে এক উপযুক্ত প্ৰক্ৰিয়াৰ ৰূপাঙ্কণ কৰিছিল। সংবিধানৰ ২৭৭ নং অনুচ্ছেদে সংসদক এনে এখন আইন গৃহীত কৰাত নিষেধাজ্ঞা আৰোপ কৰা নাই যি ভাৰতীয় আয়কৰ আইনৰ অধীনত নিযুক্ত কৰ্তৃপক্ষৰ জৰিয়তে মহীশূৰৰ আইনৰ অধীনত আয়কৰ আৰু অধিকৰ আৰোপ আৰু সংগ্ৰহৰ অনুমতি দিয়ে।গতিকে আমি এই সিদ্ধান্তত উপনীত হওঁ যে সংবিধান কাৰ্যকৰী হোৱাৰ পূৰ্বে উপাৰ্জন কৰা আয়ৰ ওপৰত আয়কৰ আৰু অধিকৰৰ ক্ষেত্ৰত আপীলকাৰীক মূল্যায়ন কৰাৰ কৰ্তৃত্ব বাংগালোৰৰ বিশেষ জৰীপ চক্ৰৰ আয়কৰ বিষয়াৰ আছিল।

আপীলসমূহ সফল ন'হল আৰু খাৰিজ কৰা হ'ল। আপীলকাৰীয়ে ইয়াৰ লগত জড়িত খৰচসমূহ পৰিশোধ কৰিব।

আপীল খাৰিজ কৰা হ'ল।

আপীলকাৰীৰ এজেন্ট: এম এছ কে শাস্ত্ৰী।

উত্তৰদাতাৰ এজেন্ট: জি এইচ ৰাজাধ্যাক্ষ।

অনুবাদ-

শ্ৰী মৃণাল কুমাৰ ভট্টাচাৰ্য্য

জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়